**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদীক তেওঁলোকৰ ঘাটিতে নিঃশেষ কৰাৰ সামৰ্থ ভাৰতৰ আছে বুলি মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কালি ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩। কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নয়দা আৰু বেংগালুৰুত নতুন অত্যাধুনিক প্ৰকল্পৰ উদ্বোধন কৰে।

৪। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই মণিপুৰৰ নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫। ১৯ বছৰ অনুৰ্ধৰ চাফ ফুটবল চেম্পিয়নশ্বিপত ভাৰতে গ্ৰুপ বিৰ শীৰ্ষ স্থান দখল কৰিছে।

ooooo

পাকিস্তানত এতিয়া সন্ত্ৰাসবাদীয়ে শান্তিৰে লুকাই থাকিব পৰা কোনো ঠাই নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰ বাৰ্তা দিছে। তেওঁ কয় যে সন্ত্ৰাসবাদীক তেওঁলোকৰ ঘাটিতে নিঃশেষ কৰাৰ সামৰ্থ ভাৰতৰ আছে। পাঞ্জাবৰ আদমপুৰ বায়ু সেনা ঘাটিত কালি বাহিনীটোৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে।

সিন্দুৰ অভিযানৰ সাফল্যৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতে পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ৯ টা শিবিৰ ধ্বংস কৰিছে আৰু এশৰো অধিক সন্ত্ৰাসবাদীক নিধন কৰিছে। তেওঁ কয়, যে সন্ত্ৰাসবাদীয়ে ভৰষা কৰা পাকিস্তানী সেনা ভাৰতীয় সশস্ত্ৰ বাহিনীৰ হাতত বাৰুকৈয়ে পৰাস্ত হৈছে। সন্ত্ৰাসবাদীৰ ষড়যন্ত্ৰকাৰীসকলে এতিয়া নিৰীহ লোকৰ ৰক্তক্ষয়ৰ পৰিণাম যে অকল বিনাশ আৰু ধ্বংস সেয়া ভালকৈ অনুধাৱন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

তেওঁ সিন্দুৰ অভিযানৰ সময়ত সশস্ত্ৰ বাহিনীয়ে প্ৰদৰ্শন কৰা সাহস, বীৰত্ব আৰু পেচাদাৰিত্বৰ ভূয়সী প্ৰশংসা কৰে। শ্ৰীমোদীয়ে কয়, যে সিন্দুৰ অভিযানে দেশৰ মনোবল বৃদ্ধি কৰিছে, দেশক একতাৰ ডোলেৰে বান্ধিছে আৰু সীমান্তসমূহ সুৰক্ষিত কৰিছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীসমূহে দেশৰ গৌৰৱক নতুন শিখৰলৈ লৈ গৈছে আৰু এয়া সচাকৈ অভূতপূৰ্ব, অকল্পনীয় আৰু অসাধাৰণ।

ooooo

অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত সশস্ত্ৰ বাহিনীৰ বীৰত্বক উদযাপনৰ উদ্দেশ্যে ৰাষ্ট্ৰজুৰি আৰম্ভ হোৱা **সৌৰ্য সন্মান যাত্ৰা** শীৰ্ষক ত্ৰিৰংগ যাত্ৰা কালি নতুন দিল্লীত আয়োজন কৰা হয়। কৰ্তব্য পথৰ পৰা ইণ্ডিয়া গে'টৰ যুদ্ধ স্মাৰকলৈ কৰা এই যাত্ৰাত দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তা, বিজেপিৰ সাধাৰণ সচিব তৰুণ চুঘ আৰু অন্যান্য মন্ত্ৰী, সাংসদকে ধৰি জনসাধাৰণে অংশগ্ৰহণ কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অপাৰেচন সিন্দূৰৰ সাফল্য দেশবাসীৰ বাবে গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে।

অসমতো আজি বিয়লি ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব। বিজেপিৰ নেতা-কৰ্মীৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। ৰাজ্যখনত কাইলৈ আৰু পৰহিলৈ জিলা পৰ্যায়ত আৰু ১৮ মে'ত বুথ পৰ্যায়ত ত্ৰিৰংগ যাত্ৰা আৰম্ভ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেওঁৰ নতুন দিল্লীৰ বাসগৃহত ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। প্ৰধানমন্ত্ৰীয়ে বিগতবৰ্ষত যক্ষ্মা ৰোগীৰ চিকিৎসা আৰু এই ৰোগ সোনকালে ধৰা পেলোৱাৰ ক্ষেত্ৰত লাভ কৰা উল্লেখনীয় অগ্ৰগতিৰ প্ৰশংসা কৰে। তেওঁ যক্ষ্মা মুক্ত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰি ৰাষ্ট্ৰজুৰি এইক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহ ব্যাপকৰূপত ৰূপায়ণ কৰাৰ বাবে আহ্বান জনায়। শ্ৰী মোদীয়ে শেহতীয়াকৈ সমাপ্ত হোৱা ১০০ দিনীয়া যক্ষ্মা মুক্ত ভাৰত অভিযানৰ কথা উল্লেখ কৰি কয়, যে এই অভিযানত ১২ কোটি ৯৭ লাখ লোকৰ যক্ষ্মাৰ পৰীক্ষা কৰা হয় আৰু ইয়াৰে ৭ লাখ ১৯ হাজাৰ যক্ষ্মা ৰোগত আক্ৰান্ত লোক চিনাক্ত কৰা হয়। এই অভিযানত এক লাখৰো অধিক নতুন নিক্ষয় মিত্ৰই যোগদান কৰাৰ কথা শ্ৰী মোদীয়ে প্ৰকাশ কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে নগৰ আৰু গ্ৰামাঞ্চলত বিভিন্ন কামত নিয়োজিত যক্ষ্মা ৰোগী চিনাক্ত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি কয়, যে ইয়াৰ ফলত বিশেষকৈ নিৰ্মাণকাৰ্য, খনি, বস্ত্ৰশিল্পকে ধৰি এনেধৰণৰ ক্ষেত্ৰসমূহত কাম কৰা শ্ৰমিকসকলৰ ৰোগ চিনাক্ত কৰি সোনকালে ইয়াৰ চিকিৎসা কৰিব পৰা যাব। শ্ৰী মোদীয়ে যক্ষ্মা নিৰ্মূলৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে জন ভাগিদাৰীৰ জৰিয়তে পৰিষ্কাৰ পৰিচ্ছন্নতাৰ সন্দৰ্ভত আলোকপাত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বিশ্ব স্বাস্থ্য সংস্থাৰ  যক্ষ্মা নিৰ্মূলৰ ২০২৪ বৰ্ষৰ তথ্যৰ কথা উল্লেখ কৰি কয়, যে ২০১৫ৰ পৰা ২০২৩ চনলৈ যক্ষ্মা ৰোগীৰ হাৰ ১৮ শতাংশ হ্ৰাস হৈছে। আনহাতে এই ৰোগত মৃত্যুৰ হাৰ ২১ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে ৮৫ শতাংশ ৰোগীক চিকিৎসা ব্যৱস্থাত সামৰি লোৱা হৈছে বুলি তথ্যত প্ৰকাশ পাইছে। কালিৰ বৈঠকত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা, প্ৰধানমন্ত্ৰীৰ মুখ্য সচিব ড০ পি কে মিশ্ৰ আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

চৰকাৰে ২৩ ছেপ্তেম্বৰক আয়ুৰ্বেদ দিৱস হিচাপে ঘোষণা কৰিছে। আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পূৰ্বে ধনতেৰচৰ দিনা পালন কৰি অহা আয়ুৰ্বেদ দিৱস এতিয়াৰে পৰা ২৩ ছেপ্তেম্বৰত পালন কৰা হ'ব। মন্ত্ৰালয়ে উল্লেখ কৰে যে, আয়ুৰ্বেদক বিজ্ঞানসন্মত, প্ৰমাণ আধাৰিত আৰু সামগ্ৰিক চিকিৎসা পদ্ধতি হিচাপে প্ৰচাৰ কৰাৰ বাবে প্ৰতি বছৰে এই দিৱস পালন কৰা হয়। মন্ত্ৰালয়ে সকলো নাগৰিক, স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ব্যক্তি, সংস্থা তথা আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক নতুনকৈ নিৰ্ধাৰিত দিনটোক গ্ৰহণ কৰি প্ৰতি বছৰে ২৩ ছেপ্তেম্বৰত আয়ুৰ্বেদ দিৱস সক্ৰিয়ভাৱে পালন কৰিবলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নয়ডা আৰু বেংগালুৰুত নতুন অত্যাধুনিক প্ৰকল্পৰ উদ্বোধন কৰে। নতুন প্ৰকল্পৰ বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয় যে, অগ্ৰণী ৩ নেন'মিটাৰ চিপ ডিজাইনিঙৰ কাম কৰিবলগীয়া ভাৰতৰ এই প্ৰথমটো প্ৰতিষ্ঠানে অৰ্ধপৰিবাহী উদ্ভাৱনৰ প্ৰতিযোগিতাত ভাৰতৰ স্থান সুদৃঢ় কৰিব। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে যে, বিশ্বৰ ভিতৰতে আটাইতকৈ উন্নত চিপসমূহৰ ভিতৰত অন্যতম ৩ নেন'মিটাৰ চিপ ডিজাইন কৰাৰ ক্ষমতাসমৃদ্ধ এই কেন্দ্ৰ দেশৰ ভিতৰতে প্ৰথম । ভাৰতৰ অৰ্ধপৰিবাহী পৰিৱেশতন্ত্ৰৰ ক্ৰমবৰ্ধমান বিকাশৰ বিষয়ত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে, উত্তৰ প্ৰদেশত প্ৰধান অৰ্ধপৰিবাহী ডিজাইন কেন্দ্ৰৰ উদ্বোধন - দেশৰ সৰ্বত্ৰ উপলব্ধ চহকী প্ৰতিভাৰ উপযুক্ত ব্যৱহাৰ কৰি এটা সৰ্বভাৰতীয় পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ দিশত অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰী বৈষ্ণৱে - প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশত বিস্তৃত পৰিসৰত অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ সংকল্প বাস্তৱায়িত কৰাৰ দিশত ভাৰত অতি মসৃণভাৱে আগবাঢ়ি থকা বুলিও উল্লেখ কৰে।

০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা, এন আই এই নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। বিগত বৰ্ষৰ নৱেম্বৰত মণিপুৰৰ জিৰিবাম জিলাত এগৰাকী মহিলাক নৃশংসভাৱে হত্যা কৰা আৰু বহুকেইটা ঘৰ লুটপাত কৰি জ্বলাই দিয়া কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত লোক দুজনক গ্ৰেপ্তাৰ কৰা হয়। এন আই এই এটা বিবৃতিত প্ৰকাশ কৰা অনুযায়ী বিষ্ণুপুৰ জিলাৰ আবাসী, অভিযুক্ত নংথোমবাম মেইৰাবা হৈছে উগ্ৰপন্থী সংগঠন-ইউনাইটেড নেচনেল লিবাৰেচন ফ্ৰণ্টৰ সদস্য আৰু তেওঁ মূলত মহিলাগৰাকীক হত্যা কৰাৰ সৈতে জড়িত আছিল। আন এগৰাকী অভিযুক্ত থৌগল জিলাৰ ছাগলছেম ছানাতোম্বা হৈছে মণিপুৰৰ আন এটা উগ্ৰপন্থী সংগঠন- কে ৱাই কে এলৰ সদস্য। দুয়োজন উগ্ৰপন্থী গোটৰ সদস্যক ১৭ মে'লৈ এন আই এৰ জিম্মাত ৰখা হ'ব।

০০০০০

১৯ বছৰ অনুৰ্ধৰ ছাফ ফুটবল চেম্পিয়নশ্বিপত ভাৰতে গ্ৰুপ বিৰ শীৰ্ষস্থান দখল কৰিছে। প্ৰতিযোগিতাত ভাৰতে কালি অৰুণাচল প্ৰদেশৰ যুপিয়াত অনুষ্ঠিত এখন খেলত নেপালক ৪-০ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ ৰোহেন সিং ছাপামায়ুমে দুটা আৰু ওমাং ড'ডুম তথা ডেনী মেইটেয়ে এটাকৈ গ'ল কৰে । এই জয়ৰ সুবাদত ভাৰতে নিজৰ দুখন খেলৰ পৰা ৬ পইণ্ট আৰু ১২ গ'লৰ ব্যৱধানৰ জৰিয়তে গ্ৰুপ পৰ্যায়ৰ খেল সামৰিছে। ছেমি ফাইনেলত অহা শুকুৰবাৰে দলটোৱে গ্ৰুপ এৰ ৰাণাৰ্ছ আপ মালদ্বীপৰ বিৰুদ্ধে আৰু নেপালে গ্ৰুপ এৰ শীৰ্ষস্থানপ্ৰাপ্ত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

চীনৰ জিয়াংশানত অনুষ্ঠিত ২০২৫ বৰ্ষৰ এছিয়ান ভাৰোত্তোলন চেম্পিয়নশ্বিপত ভাৰতৰ প্ৰত্যাহ্বানৰ অন্ত পৰিছে। পুৰুষৰ ৯৬ কিলোগ্ৰাম শাখাত ভাৰতৰ দিলবাগ সিং নৱম স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। ইয়াৰ পূৰ্বে ছেৰাম নিৰুপমা দেৱীয়ে মহিলাৰ ৬৪ কিলোগ্ৰাম শাখাত মুঠ ২০৬ কেজি ভাৰত্তোলনেৰে সামান্য ব্যৱধানৰ বাবে পদকৰ পৰা বঞ্চিত হৈ চতুৰ্থ স্থান লাভ কৰিছিল। উল্লেখযোগ্য যে, এই প্ৰতিযোগিতাত ভাৰতৰ মাত্ৰ দুগৰাকী ভাৰত্তোলকেহে অংশগ্ৰহণ কৰিছিল। তাৰকা ভাৰোত্তোলক মিৰাবাই চানুৱে নতুন ওজন শাখাৰ সৈতে নিজকে খাপ খুওৱাৰ প্ৰস্তুতিৰ বাবে প্ৰতিযোগিতাখনত অংশগ্ৰহণৰ পৰা বিৰত আছিল। শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় ভাৰোত্তোলন ফেডাৰেচনে ওজন বিভাগৰ ক্ষেত্ৰত অনা পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত চানুৱে পূৰ্বৰ ৪৯ কিলোগ্ৰাম শাখাৰ পৰিৱৰ্তে আগলৈ ৪৮ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰিব।

০০০০০

বেংককত চলি থকা থাইলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মূল ড্ৰ'ত আজি ভাৰতৰ শীৰ্ষ পৰ্যায়ৰ খেলুৱৈ লক্ষ্য সেন, প্ৰিয়াংশু ৰাজাৱত, উন্নতি হুদা, মালৱিকা বানছ'ড় তথা মহিলাৰ দ্বৈত শাখাত গায়ত্ৰী গোপিচান্দ আৰু তৃষা জ'লীয়ে তেওঁলোকৰ অভিযান আৰম্ভ কৰিব। পুৰুষৰ একক শাখাত বিশ্বৰ অষ্টদশ বাছনিৰ লক্ষ্য সেনে নিজৰ প্ৰথমখন খেলত বিশ্বৰ ৩৪ নং বাছনিৰ আয়াৰলেণ্ডৰ নাট নুয়েনৰ বিৰুদ্ধে আৰু প্ৰিয়াংশুৱে ইণ্ডোনেছিয়াৰ আলৱি ফাৰহানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে, থাৰুন মান্নেপল্লীয়ে মালয়েছিয়াৰ জাষ্টিন হোহৰ বিৰুদ্ধে নিজৰ প্ৰথম খেলখন খেলিব। মহিলাৰ একক শাখাত বিশ্বৰ ২৩ নং স্থানপ্ৰাপ্ত মালবিকা বানছ’ড়ে তুৰস্কৰ নেছলিহান আৰিনৰ বিৰুদ্ধে আৰু উন্নতি হুদাই থাইলেণ্ডৰ থামনৱান নিথি-ইটিক্ৰাইৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা কৰিব। ইপিনে, মহিলা দ্বৈত শাখাত, বিশ্বৰ দশম স্থানৰ যুটি গায়ত্ৰী গোপিচান্দ আৰু তৃষা জ'লীয়ে আজি মালয়েছিয়াৰ কাৰ্মেন টিং আৰু অং জিন য়িৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত